# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-06-2025
**Time :** 1745 HRS

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

ooooo

বি টি আৰত অহা ছেপ্তেম্বৰত হ'বলগীয়া বিটিচি পৰিষদীয় নিৰ্বাচনৰ গতিবিধি ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। বিজেপি, ইউ পি পি এল, বি পি এফ আৰু অঞ্জলি দৈমাৰীৰ নেতৃত্বত নতুনকৈ গঠিত এ বি পিয়ে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে প্ৰচাৰ অভিযানত নামি পৰিছে। দলকেইটাই ঠায়ে ঠায়ে নিৰ্বাচনী সভা পাতি প্ৰচাৰ অভিযান চলোৱা পৰিলক্ষিত হৈছে। নৱগঠিত এ বি পিয়ে ইতিমধ্যে জিলা, ব্লক আৰু প্ৰাথমিক কমিটী গঠনৰ কাম তীব্ৰতৰ কৰি তুলিছে।

বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত ককলাবাৰী পৰিষদীয় সমষ্টিত আজি ইউপিপিএলৰ এখন বুথ সন্মিলন অনুষ্ঠিত হয়। এই সন্মিলনত কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, ইউপিপিএলৰ সম্পাদক ৰাজু কুমাৰ নাৰ্জাৰী, ককলাবাৰী পৰিষদীয় সমষ্টিৰ পাৰিষদ মণ্টু বড়োৱে অংশগ্ৰহণ কৰে।

ooooo

কামৰূপ জিলাৰ মহাপুৰুষীয়া ধৰ্মালোচনী সভা শ্ৰীশ্ৰীশংকৰদেৱ মন্দিৰ, শুৱালকুছিৰ উদ্যোগত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষ মাধৱদেৱৰ জন্মোৎসৱ পালন কৰা হৈছে। এই উপলক্ষে আজি বিয়লিৰ ভাগত দ্বীপ মালিকা, নগৰত ভাগৱত শোভাযাত্ৰা আৰু মন্দিৰত গুৰুলীলা সেৱাৰ গীত পৰিৱেশন কৰা হয়। নিশা শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰৰ উদ্যোগত মহিলাৰ দিহানাম প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে। কাইলৈ পুৱা ঊষা কীৰ্তন, আইসকলৰ প্ৰসংগ, ধৰ্মীয় পতাকা উত্তোলন, বাপসকলৰ প্ৰসংগ, পাঠপঢ়া, চৰিত তোলা, সেৱাৰ গীত পৰিৱেশন আদি কাৰ্যসূচী অনুষ্ঠিত হ'ব। বিয়লি ধৰ্মালোচনী সভা, সম্বৰ্ধনা সভা আৰু বঁটা বিতৰণী সভাৰ আয়োজন কৰা হৈছে। কাইলৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দৰং জিলাৰ ঐতিহাসিক খটৰা সত্ৰ পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত মুখ্যমন্ত্ৰী ড০ শৰ্মাই সত্ৰৰ পুৰণি নামঘৰ আৰু মণিকূট নতুনকৈ নিৰ্মাণ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে সত্ৰৰ ভূমি দখলমুক্ত কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ সংকল্পবদ্ধ বুলি সংবাদমাধ্যমৰ আগত প্ৰকাশ কৰে। তেওঁ কয়, যে সত্ৰসমূহৰ পৱিত্ৰতা ৰক্ষাৰ বাবে চৰকাৰে নিৰ্ণায়ক পদক্ষেপ গ্ৰহণ কৰিছে। স্থায়ী সত্ৰ আয়োগ গঠন কৰি এই আয়োগক ন্যায়ালয়ৰ সমান ক্ষমতা প্ৰদান কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে খটৰা সত্ৰৰ চৌহদত ৰুদ্ৰাক্ষ গছৰ পুলি এটা ৰোপণ কৰে। খটৰা সত্ৰ পৰিদৰ্শন কৰাৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে পথৰুঘাটৰ শ্বহীদ স্তম্ভত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

ইপিনে কামৰূপ জিলাৰ দুমুনীচকীত মুখ্যমন্ত্ৰীগৰাকীয়ে দৰং জিলাৰ বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিৰ সৈতে আলোচনাত মিলিত হয়। আলোচনাকালত মুখ্যমন্ত্ৰীগৰাকীয়ে দল-সংগঠনৰ প্ৰতিনিধিৰ পৰা বিভিন্ন সমস্যা সন্দৰ্ভত বুজ লয়। এই আলোচনাত কমলপুৰৰ বিধায়ক দিগন্ত কলিতা, ছিপাঝাৰৰ বিধায়ক পৰমানন্দ ৰাজবংশী আৰু মঙলদৈৰ প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস উপস্থিত থাকে।

ooooo

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি তামুলপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। এই বৈঠকত জিলাখনৰ তামুলপুৰ, গোৰেশ্বৰ আৰু নাগ্ৰীজুলি উন্নয়ন খণ্ডৰ অধীনত ৰূপায়ণ হৈ থকা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিভিন্ন আঁচনিৰ বাবে আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ গৃহ নিৰ্মাণ সন্দৰ্ভত বিভাগীয় বিষয়াৰ পৰা বিতং তথ্য সংগ্ৰহ কৰে। তিনিওটা উন্নয়ন খণ্ডৰ অধীনত অসম্পূৰ্ণ হৈ থকা কাম অহা ১৪ আগষ্টৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ বিভাগীয় বিষয়াসকলক তেওঁ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে এম জি এনৰেগা আৰু অমৃত সৰোবৰ আঁচনিৰ অগ্ৰগতিৰো খতিয়ান লয়। আজিৰ এই সভাত তামুলপুৰৰ বিধায়ক জলেন দৈমাৰী, বিটিচিৰ কাৰ্যবাহী সদস্য ধৰ্মনাৰায়ণ দাস, পাৰিষদ পবিত্ৰ কুমাৰ বড়ো, বিজিত গৌৰা নাৰ্জাৰী, হেমন্ত কুমাৰ ৰাভাৰ লগতে জিলা আয়ুক্ত কাৰ্যালয়ৰ শীৰ্ষ বিষয়া উপস্থিত থাকে।

000000

ৰাজ্যৰ ৰাভা বসতিপ্ৰধান অঞ্চলসমূহত আজি পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে বাইখ'দেৱা বা বায়খ' পূজা পালন কৰা হৈছে। প্ৰতিবছৰে জেঠ মাহৰ পূৰ্ণিমা তিথিত এই পূজা পালন কৰা হয়। এই উৎসৱত ৰাভাসকলৰ পূজনীয় দেৱ-দেৱীলৈ পূজা-অৰ্চনা আগবঢ়োৱা হয় আৰু কৃষিকৰ্ম সুচাৰুৰূপে সম্পন্ন কৰাৰ লগতে ৰাইজৰ উন্নয়নৰ কামনাৰে এই পূজা অনুষ্ঠিত কৰা হয়। বায়খো হুৰি অসম, খৈৰাবাৰী আঞ্চলিক বায়খো হুৰি অসম, খৈৰাবাৰী আঞ্চলিক ৰাভা জাতীয় সংগঠনৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত ওদালগুৰি জিলাৰ খৈৰাবাৰী বৰজামুগুৰি বায়খ'দামত আজিৰেপৰা চতুৰ্দশ বায়খ' উৎসৱ অনুষ্ঠিত হৈছে। এই উৎসৱত জনগোষ্ঠীটোৰ ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰা দেখা গৈছে।

গোৱালপাৰা জিলাৰ আন আন ঠাইৰ লগতে পশ্চিম দায়ৰং আয়া বায়খ' থানত আজি দিনজোৰা কাৰ্যসূচীৰে বায়খ' উৎসৱ পালন কৰা হয়। দুধনৈ আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ উদ্যোগত দুধনৈৰ ৰাজহুৱা খেলপথাৰত দুদিনীয়া কাৰ্যসূচীৰে এই উৎসৱ পালন কৰা হৈছে।

মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই বায়খ' উৎসৱ উপলক্ষে ৰাভা জনগোষ্ঠীৰ লোকসকলক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ডº শৰ্মাই কয়, যে এই উৎসৱৰ সৈতে ৰাভা জনগোষ্ঠীৰ বিশ্বাস, পৰম্পৰা, একতা আৰু কৃষক সমাজৰ সপোন জড়িত হৈ আছে। তেওঁ লগতে এই উৎসৱে সমন্বয়ৰ বীজ সিঁচি কৃষক সমাজৰ সপোন সাৰ্থক কৰিব আৰু সকলোৰে জীৱন সুখ-সমৃদ্ধিৰে উপচাই পেলাব বুলি আশা কৰে।

00000

ধুবুৰীত কালিৰ পৰা ব্ৰহ্মপুত্ৰত সন্ধানহীন হৈ পৰা এজন যুৱকৰ মৃতদেহ আজি উদ্ধাৰ কৰা হয়। এছ ডি আৰ এফ বাহিনীয়ে আজি নদীৰ বুকুৰ পৰা যুৱকজনৰ মৃতদেহ উদ্ধাৰ কৰে। মৃত যুৱকজন গৌৰীপুৰৰ আৰিফ মহম্মদ আফতাব বুলি জানিব পৰা গৈছে। ধুবুৰী আৰু ফুলবাৰীৰ মাজত নিৰ্মীয়মান দলঙৰ সমীপত গা ধুবলৈ গৈ যুৱকজন নদীৰ বুকুত সন্ধানহীন হৈ পৰিছিল।

00000

সমাপ্ত